शिक्षा मंत्रालय
MINISTRY OF
**EDUCATION**

सत्यमेव जयते

कौशल विकास और उद्यमशीलता मंत्रालय
Ministry of **Skill Development And Entrepreneurship**

सत्यमेव जयते

# প্ৰযুক্তি আৰু ভাৰতীয় ভাষা সন্মিলন

**30 চেপ্টেম্বৰ আৰু 1 অক্টোবৰ 2023**

**স্থান: ড০ আম্বেদকাৰ ইন্টাৰনেচনেল চেন্টাৰ, জনপথ, নতুন দিল্লী**

https://technology-bharatiyabhasha.aicte-india.org/

## প্ৰযুক্তি আৰু ভাৰতীয় ভাষা সন্মিলনৰ বিষয়ে



প্ৰযুক্তি আৰু ভাৰতীয় ভাষা সন্মিলনত তিনিটা মূল বিষয়ৰ ওপৰত আলোচনা কৰা হ'ব - "ভাৰতীয় ভাষাৰ বাবে প্ৰযুক্তি, ভাৰতীয় ভাষাত প্ৰযুক্তি, আৰু ভাৰতীয় ভাষাৰ জৰিয়তে প্ৰযুক্তি"। ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি, ভাৰতীয় ভাষা সংস্থান (চিআইআইএল), মহীশূৰে, বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউজিচি), অখিল ভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ (এআইচিটিই), ৰাষ্ট্ৰীয় শৈক্ষিক প্ৰযুক্তি মঞ্চ (এনইটিএফ), ভাৰতীয় ভাষা সমিতি (বিবিএছ), ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (এনচিইআৰটি), ৰাষ্ট্ৰীয় বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদ (এনচিভিইটি) আৰু ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদৰ (এনচিটিই) সহযোগত এই সন্মিলনৰ আয়োজন কৰিছে। নতুন দিল্লীৰ জনপথৰ ড০ আম্বেদকাৰ ইন্টাৰনেচনেল চেন্টাৰত 30 চেপ্টেম্বৰ আৰু 1 অক্টোবৰ 2023 তাৰিখে সকলো অংশীদাৰকে একেখন মঞ্চত একত্ৰিত কৰি ভাৰতীয় ভাষাৰ ব্যৱহাৰৰ সকলো ক্ষেত্ৰত প্ৰযুক্তি ব্যৱহাৰ কৰি ৰাষ্ট্ৰীয় শিক্ষা নীতি-2020ৰ লক্ষ্যসমূহ প্ৰাপ্ত কৰাৰ উচিত উপায় সম্পৰ্কে চিন্তা-চৰ্চা কৰাই হৈছে এই সন্মিলনৰ লক্ষ্য।

নতুন দিল্লীত অনুষ্ঠিত এই দুদিনীয়া সন্মিলনত 1000 জন প্ৰতিনিধিৰ অংশগ্ৰহণৰ আশা কৰা হৈছে। এই অনুষ্ঠানটোত উপস্থাপন, পেনেল আলোচনা, প্ৰদৰ্শনী, সংযোগ-স্থাপনৰ সুযোগ অন্তৰ্ভুক্ত হৈ থাকিব। ভাৰতীয় ভাষাৰ বাবে, ভাৰতীয় ভাষাত আৰু ভাৰতীয় ভাষাৰ জৰিয়তে প্ৰযুক্তি বিকাশৰ বাবে কাম কৰি থকা কাৰিকৰী বিশেষজ্ঞ আৰু প্ৰতিষ্ঠান, AI (কৃত্ৰিম বুদ্ধিমত্তা) আৰু ML (মেচিং লাৰ্ণিং) গৱেষক, এডু-টেক কোম্পানী, ষ্টাৰ্ট-আপ, তেনে প্ৰযুক্তিৰ ব্যৱহাৰকাৰী আৰু নীতি নিৰ্ধাৰকসকল ইয়াত অন্তৰ্ভুক্ত হ'ব। এই সন্মিলনে অংশগ্ৰহণকাৰীসকলৰ মাজত ধাৰণা আৰু সহযোগিতাৰ আদান-প্ৰদানত সহায় কৰিব আৰু ভাৰত আৰু বিশ্বত ভাষা প্ৰযুক্তি, গৱেষণা আৰু উদ্ভাৱনত সহযোগিতা আগবঢ়াব।

## সন্মিলনৰ বিষয়বস্তু

এনইপি-2020-য়ে শৈক্ষিক স-সুবিধালৈ প্ৰৱেশাধিকাৰ বৃদ্ধি, অন্তৰ্ভুক্তি আৰু বৈচিত্ৰ্য সম্বন্ধীয় উদ্বেগৰ সমাধান আৰু দেশৰ শৈক্ষিক ব্যৱস্থালৈ প্ৰৱেশাধিকাৰ, ইয়াৰ মানদণ্ড, সমতা, সামৰ্থ্য আৰু দায়বদ্ধতা উন্নত কৰাৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে।


সন্মিলনৰ লক্ষ্য হৈছে বৰ্তমানৰ ভাষা-পৰিস্থিতিতন্ত্ৰৰ পৰা ভাৰতীয় ভাষা-পৰিস্থিতিতন্ত্ৰলৈ মসৃণ ৰূপান্তৰৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰ। ভাষা আৰু প্ৰযুক্তিৰ সন্দৰ্ভত, তিনিটা মুখ্য দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে:

- **ভাৰতীয় ভাষাৰ বাবে প্ৰযুক্তি**
- **ভাৰতীয় ভাষাত প্ৰযুক্তি**
- **ভাৰতীয় ভাষাৰ জৰিয়তে প্ৰযুক্তি**

## ভাৰতীয় ভাষাৰ বাবে প্ৰযুক্তি

বিষয়বস্তুৰ এই দিশটোৰ উদ্দেশ্য হৈছে শিক্ষণ, পৰীক্ষণ, প্ৰশিক্ষণ আৰু অনুবাদৰ ক্ষেত্ৰত ভাৰতীয় ভাষাৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰ। শিক্ষণৰ ভিতৰত আছে অনলাইন আৰু অফলাইন দুয়ো ধৰণে ভাৰতীয় ভাষাৰ শিকন আৰু শিক্ষণ, শিকন-শিক্ষণ, শৈক্ষিক সামগ্ৰী ইত্যাদিৰ বিকাশ। পৰীক্ষণৰ ভিতৰত আছে ভাৰতীয় ভাষাত বিভিন্ন স্তৰৰ ভাষাৰ দক্ষতাৰ বাবে পৰীক্ষণ পদ্ধতি আৰু পৰীক্ষা। প্ৰশিক্ষণৰ অৰ্থ হৈছে প্ৰাক-সেৱা আৰু কৰ্মৰত ভাষা আৰু বিষয় শিক্ষক, মূল প্ৰশিক্ষক, ভাৰতীয় ভাষাত পাঠ্যপুথি লিখক, আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি ভাষা মূল্যায়ন আৰু মূল্যাংকনত নিয়োজিত পৰীক্ষক আৰু বিশেষজ্ঞসকলৰ প্ৰশিক্ষণ।

অনুবাদৰ উদ্দেশ্য হৈছে ভাৰতীয় ভাষাৰ বাবে ভাষা অনুবাদ সঁজুলি বিকাশ আৰু উন্নীত কৰাৰ লগতে ভাৰতীয় ভাষাসমূহত বিপুল সংখ্যক প্ৰশিক্ষিত অনুবাদক সৃষ্টি কৰা। ই অনুবাদৰ বাবে প্ৰযুক্তিৰ প্ৰয়োজনীয়তা মূল্যায়ন কৰাৰ লগতে প্ৰযুক্তি ব্যৱহাৰ কৰি ভাৰতীয় ভাষাত ডিজিটেল অনুবাদ হাতপুথি আৰু মডিউলৰ বিকাশ কৰিব।



### ভাৰতীয় ভাষাত প্ৰযুক্তি

ভাৰতীয় ভাষাত প্ৰযুক্তি হৈছে এনে এটা ক্ষেত্ৰ য'ত ভাৰতীয় ভাষাত হাৰ্ডৱেৰ আৰু ছফ্টৱেৰ সঁজুলিৰ বিকাশৰ দিশত এতিয়াও এক বিপ্লৱ সৃষ্টি হ'বলৈ বাকী আছে বুলি ক'ব পাৰি। ইয়াৰ অৰ্থ হৈছে ভাৰতীয় ভাষাত ভাৰতীয় অপাৰেটিং চিষ্টেম (OS) আৰু মেচিন লাৰ্ণিং (ML) সৃষ্টি, কোড আৰু প্ৰগ্ৰাম লিখাৰ বাবে ভাৰতীয় ভাষাৰ ব্যৱহাৰ, সাৰ্বজনীন গ্ৰহণযোগ্যতাৰ বাবে ভাৰতীয় ভাষাৰ প্ৰযুক্তিগত ব্যৱহাৰৰ বাবে মূল মানদণ্ডৰ বিকাশ, ভাৰতীয় ভাষাৰ বাবে উপলব্ধ OSৰ বহুস্তৰীয় বিকাশ, ভাৰতীয় ভাষাৰ বাবে ৱেব মান্যকৰণ, ভাৰতীয় ভাষাত মোবাইল এপ আৰু প্ৰযুক্তিৰ বিকাশ, ভাৰতীয় ভাষাত AR (অগমেণ্টেড ৰিয়েলিটি) আধাৰিত প্লেটফৰ্মৰ বিকাশ, AR/VR (ভাৰ্চুৱেল ৰিয়েলিটি)/MVR (মিক্সড ভাৰ্চুৱেল ৰিয়েলিটি)/চিমুলেশ্বন/ডিজিটেল টুইনিঙৰ সৈতে ভাৰতীয় ভাষাৰ একত্ৰীকৰণ, ইত্যাদি। ভাৰতীয় ভাষাসমূহত প্ৰযুক্তিৰ নিৰন্তৰ বিকাশৰ জৰিয়তে সম্পদ আৱন্টন আৰু স্থানীয়কৰণ কৰাৰ লগতে ইয়াক মূলসুঁতিত অন্তৰ্ভুক্ত কৰি এই ক্ষেত্ৰত সকলো অংশীদাৰক একত্ৰিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হ'ব।

### ভাৰতীয় ভাষাৰ জৰিয়তে প্ৰযুক্তি

এনইপি-2020ৰ পৰিকল্পনা অনুসৰি ভাৰতীয় ভাষাৰ মাধ্যমেৰে অভিযান্ত্ৰিক, চিকিৎসা, আইনী আৰু অন্য পেছাদাৰী পাঠ্যক্ৰমকে ধৰি সকলো কাৰিকৰী শিক্ষা প্ৰদান, সমল আৰু পদ্ধতি বিকাশ, সম্পদসমূহ (যেনে ডিজিটেল পাঠ্যপুথি, শিক্ষণ-শিক্ষক সামগ্ৰী, ভাৰতীয় ভাষাৰ অভিধান আৰু শব্দকোষ আদি উপলব্ধকৰণ), মূল্যায়ন আৰু মূল্যাংকন, বিদ্যালয়, বৃত্তিমূলক শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয় আৰু পেছাদাৰী শিক্ষানুষ্ঠান (যেনে আইআইটি, এনআইটি, আইআইআইটি, আইআইএম, আইআইএছইআৰ ইত্যাদি)ত ভাৰতীয় ভাষাৰ মাধ্যম ব্যৱহাৰ কৰি কাৰিকৰী শিক্ষাৰ উপৰিও দক্ষতা পাঠ্যক্ৰম প্ৰদান আৰু ভাৰতীয় ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰিন্ট আৰু ছ'চিয়েল মিডিয়াৰ বাবে নিৰ্দেশনা আৰু মানদণ্ড প্ৰস্তুত কৰাটোৱেই এই ক্ষেত্ৰত মূল লক্ষ্য।

### সন্মিলনৰ কেন্দ্ৰবিন্দুসমূহ

- প্ৰযুক্তিৰ সহায়ত ভাৰতীয় ভাষাৰ জৰিয়তে শিক্ষা প্ৰদান কৰাৰ উপায় অন্বেষণ কৰা।
- সকলো ভাৰতীয় ভাষাৰ বাবে ভাৰতীয় ভাষা প্ৰযুক্তি সঁজুলিৰ প্ৰয়োজন হোৱা অগ্ৰাধিকাৰ ক্ষেত্ৰসমূহ চিনাক্ত কৰা।
- ভাৰতীয় ভাষাত শিকন, প্ৰশিক্ষণ, পৰীক্ষণ আৰু শৈক্ষিক সমল অনুবাদত প্ৰযুক্তিৰ একত্ৰীকৰণ।
- ভাৰতীয় ভাষাসমূহৰ ক্ষেত্ৰত শেহতীয়া প্ৰযুক্তিমূলক বিকাশৰ প্ৰদৰ্শনী। ইয়াত ভাৰতীয় চিহ্ন ভাষা আৰু ব্ৰেইলৰ বাবে প্ৰযুক্তি বিকাশ আদিও অন্তৰ্ভুক্ত হৈ থাকিব।
- প্ৰযুক্তিমূলক হস্তক্ষেপৰ জৰিয়তে সকলো ৰাজহুৱা আৰু ব্যক্তিগত ক্ষেত্ৰত ভাৰতীয় ভাষাসমূহৰ প্ৰচাৰ।
- ভাৰতীয় ভাষাৰ বাবে, ভাৰতীয় ভাষাত, আৰু ভাৰতীয় ভাষাৰ জৰিয়তে প্ৰযুক্তি বিকাশৰ সাম্প্ৰতিক স্থিতি আৰু প্ৰত্যাহ্বানসমূহৰ উপলব্ধি।
- ভাৰতীয় ভাষাৰ বাবে, ভাৰতীয় ভাষাত, আৰু ভাৰতীয় ভাষাৰ জৰিয়তে প্ৰযুক্তিৰ ক্ষেত্ৰত ভৱিষ্যতৰ বাবে পথ আৰু উপায়সমূহ।

### প্ৰত্যাশিত ফলাফল

সন্মিলনখনে ভাৰতীয় ভাষাৰ বাবে, ভাৰতীয় ভাষাত, আৰু ভাৰতীয় ভাষাৰ জৰিয়তে প্ৰযুক্তিৰ বিকাশ আৰু ব্যৱহাৰৰ ভৱিষ্যত কৰ্মপন্থা সম্পৰ্কে এখন নথি প্ৰস্তুত কৰি উলিয়াব।

### অংশগ্ৰহণ

শিক্ষা, উদ্যোগৰ শীৰ্ষস্তৰীয় কৰ্মকৰ্তা, ভাষা বিশেষজ্ঞ, ভাষাবিদ, এডু-টেক/ষ্টাৰ্ট-আপ কোম্পানী, ৰাজ্য চৰকাৰ, ভাষা প্ৰযুক্তি গৱেষক আৰু বিকাশকাৰী, নীতি নিৰ্ধাৰক আৰু সিদ্ধান্ত-গ্ৰহণকাৰীসকলক এই সন্মিলনত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছে।

### পঞ্জীয়ন প্ৰক্ৰিয়া

**ইয়াত পঞ্জীয়ন কৰক:** https://technology-bharatiyabhasha.aicte-india.org/

সন্মিলনত অংশগ্ৰহণ কৰিবলৈ সীমিত সংখ্যক অংশগ্ৰহণকাৰীক আমন্ত্ৰণ জনোৱা হ'ব।

অংশগ্ৰহণকাৰীসকলৰ নিশ্চিতকৰণ যথা সময়ত সম্পন্ন কৰা হ'ব।

## যোগাযোগৰ সবিশেষ:


**Prof. Shailendra Mohan**
**Director**
**Central Institute of Indian Languages**
Manasagangothri, Hunsur Road
Mysore- 570006, Karnataka, India

ফোন নম্বৰ: +91 821 2345000, +91 821 2345006
ফেক্স নম্বৰ: 91 821 2515032
ইমেইল: director-ciil@gov.in